# ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ

# “অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমৰ সংস্কৃতিঃ অধ্যয়নৰ ভিন্ন মাত্ৰা”

**গড়গাঁও মহাবিদ্যালয় আৰু দেৰগাঁও কমল দুৰৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যুটীয়া উদ্যোগত স্নাতক শিক্ষাৰ্থীৰ বাবে ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ**

(কেৱল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যয়নৰত শিক্ষাৰ্থীৰ বাবে)

দিনাংকঃ ২২ আৰু ২৩ অক্টোবৰ, ২০২২

মাধ্যমঃ অনলাইন

---

## নিমন্ত্ৰণ

শ্ৰদ্ধাভাজনেষু,

নমস্কাৰ গ্ৰহণ কৰিব। আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে, গড়গাঁও মহাবিদ্যালয় আৰু দেৰগাঁও কমল দুৰৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগে অহা ২২ আৰু ২৩ অক্টোবৰ, ২০২২ তাৰিখে অনলাইন মাধ্যমেৰে **“অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমৰ সংস্কৃতি অধ্যয়নঃ অধ্যয়নৰ ভিন্ন মাত্ৰা”** শীৰ্ষক এখনি ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আলোচনা চক্ৰ আয়োজন কৰিছোঁ। আশা কৰোঁ আপোনালোকৰ সক্ৰিয় অংশগ্ৰহণ আৰু সহযোগিতাই আমাৰ এই বিদ্যায়তনিক প্ৰয়াসক সফল কৰি তুলিব।

**ড° সব্যসাচী মহন্ত**
**অধ্যক্ষ, গড়গাঁও মহাবিদ্যালয়**

**ড° ৰঞ্জিত কুমাৰ বৰদলৈ**
**অধ্যক্ষ, দেৰগাঁও কমল দুৰৰা মহাবিদ্যালয়**

**দেৱযানী বকলীয়াল**
**ড° অংকুৰ দত্ত**
**সমন্বয়ক, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আলোচনা চক্ৰ**

**ড° মণিকা চুতীয়া**
**মৃদুল মৰাণ**
**সমন্বয়ক, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আলোচনা চক্ৰ**

## আয়োজক সমিতি

**মুখ্য উপদেষ্টাঃ** ড° সব্যসাচী মহন্ত, অধ্যক্ষ, গড়গাঁও মহাবিদ্যালয়।
ড° ৰঞ্জিত কুমাৰ বৰদলৈ, অধ্যক্ষ, দেৰগাঁও কমল দুৰৰা মহাবিদ্যালয়।

**উপদেষ্টাঃ** নীলাক্ষি চেতিয়া, বিভাগীয় প্ৰধান, অসমীয়া বিভাগ, গড়গাঁও মহাবিদ্যালয়।
ড° চণ্ডীচৰণ গোস্বামী, বিভাগীয় প্ৰধান, অসমীয়া বিভাগ, দেৰগাঁও কমল দুৰৰা মহাবিদ্যালয়।

**আলোচনা চক্ৰৰ সমন্বয়কঃ** দেৱযানী বকলীয়াল, ড° অংকুৰ দত্ত, সহকাৰী অধ্যাপক, গড়গাঁও মহাবিদ্যালয়।
ড° মণিকা চুতীয়া, মৃদুল মৰাণ, সহকাৰী অধ্যাপক, দেৰগাঁও কমল দুৰৰা মহাবিদ্যালয়।

**সদস্যঃ** প্ৰণৱ দুৱৰা, ৰুণজুন হাজৰিকা, প্ৰিয়মা দিহিঙ্গীয়া, সহযোগী অধ্যাপক, গড়গাঁও মহাবিদ্যালয়।
লাৱণ্য বৰা, সহযোগী অধ্যাপক, দেৰগাঁও কমল দুৰৰা মহাবিদ্যায়।
অমল চন্দ্ৰ দাস, জুবিলী শইকীয়া, সহকাৰী অধ্যাপক, দেৰগাঁও কমল দুৰৰা মহাবিদ্যালয়।

**উপ-বিষয়ঃ**

- অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা
- অসমীয়া সাহিত্যৰ যুগ বিভাজন
- অসমীয়া লোকসাহিত্যৰ বিভিন্ন বিধা বা প্ৰকাৰ
- অসমীয়া লোক কবিতা
- অসমীয়া লোকসাহিত্যৰ সাহিত্যিক সৌন্দৰ্য, লোকসাহিত্যত প্ৰতিফলিত অসমীয়া সমাজ-সংস্কৃতি
- বিভিন্ন যুগৰ (প্ৰত্ন বা আদি, মধ্য আৰু আধুনিক) সাহিত্যৰ সামাজিক আৰু বৌদ্ধিক পটভূমি
- প্ৰাক্-শংকৰী যুগৰ সাহিত্য আৰু সাহিত্যিক
- শংকৰী যুগৰ সাহিত্য আৰু সাহিত্যিক
- শংকৰোত্তৰ যুগৰ সাহিত্য (চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক জ্ঞানৰ সাহিত্য) আৰু সাহিত্যিক
- আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত মিছনেৰীসকলৰ ভূমিকা
- অসমীয়া ভাষা-সাহিত্যৰ বিকাশত আলোচনীৰ (অৰুনোদই, জোনাকী, বাঁহী, আৱাহন, জয়ন্তী, ৰামধেনু) ভূমিকা
- অসমীয়া কাব্য সাহিত্যৰ বিকাশত জোনাকী যুগৰ কবিসকলৰ ভূমিকা
- আৱাহন যুগৰ গল্প সাহিত্য
- আধুনিক কালৰ অসমীয়া কবি (চন্দ্ৰকুমাৰ আগৰৱালা, নৱকান্ত বৰুৱা, নীলমণি ফুকন আৰু কৰবী ডেকা হাজৰিকা) আৰু কবিতা
- সাম্প্ৰতিক অসমীয়া সাহিত্য (কবিতা, গল্প আৰু শিশু সাহিত্য) আৰু সাহিত্যিক
- অসমীয়া নাটকৰ গতি-প্ৰকৃতি
- পুৰণি অসমীয়া নাটক আৰু নাট্যকাৰ (শংকৰদেৱ, মাধৱদেৱ)
- আধুনিক অসমীয়া নাটক আৰু নাট্যকাৰ (পদ্মনাথ গোহাঞিবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, অৰুণ শৰ্মা, যোগেন চেতিয়া)
- অসমৰ সংস্কৃতি আৰু অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য
- অসমীয়া জাতি গঠনত প্ৰজাতীয় উপাদান
- অসমৰ সংস্কৃতি আৰু সমন্বয়
- অসমৰ বিভিন্ন জনগোষ্ঠীৰ (মিচিং আৰু সোণোৱাল কছাৰী) লোকাচাৰ আৰু লোকবিশ্বাস
- অসমৰ বিভিন্ন জনগোষ্ঠীৰ (বড়ো আৰু কাৰ্বি) সাজপাৰ আৰু অয়-অলংকাৰ
- অসমৰ স্থাপত্য-ভাস্কৰ্যৰ ইতিহাস আৰু বিশেষত্ব
- মূল বিষয়ৰ লগত সম্পৰ্কিত আন যিকোনো বিষয়।

**সন্মানীয় শিক্ষক বন্ধুসকললৈঃ**

আলোচনা চক্ৰৰ বাবে নিৰ্বাচন কৰা মূল বিষয় আৰু উপ-বিষয়সমূহ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক পৰ্যায়ৰ অসমীয়া উচ্চমান পাঠ্যক্ৰমৰ C-1, C-2, C-6, C-7 আৰু C-11 কাকতৰ অন্তৰ্গত। এই আলোচনা চক্ৰৰ যোগেদি শিক্ষাৰ্থীসকলে গৱেষণামূলক দৃষ্টিভংগীৰে অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমৰ সংস্কৃতিৰ অন্তৰ্গত বিষয় কেতবোৰ অধ্যয়নৰ সুযোগ লাভ কৰিব। বৰ্তমান অসমীয়া উচ্চমানৰ পাঠ্যক্ৰমত প্ৰকল্প বা গৱেষণাৰ দৰে বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। অনাগত দিনত নতুন শিক্ষানীতিয়ে আনিবলগীয়া পৰিৱৰ্তিত শিক্ষা-ব্যৱস্থাৰ লগত সমাযোজন কৰাৰ ক্ষেত্ৰত আৰু লগতে উচ্চ শিক্ষাৰ ক্ষেত্ৰতো এনে অনুশীলনে শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি ভবা হৈছে। শিক্ষাৰ্থীসকলে এই অনুশীলনৰ যোগেদি কেৱল মহাবিদ্যালয়ৰ চৌহদতে সীমিত নাথাকি এক বহল প্ৰেক্ষাপটত আত্ম-মূল্যায়ন কৰাৰ সুযোগ লাভ কৰিব বুলি ভবা হৈছে। শিক্ষাৰ্থী সমাজৰ উপকাৰৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষক বন্ধুসকলক নিজৰ নিজৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক এই আলোচনা চক্ৰত অংশগ্ৰহণৰ বাবে উৎসাহিত কৰিবলৈ আৰু লগতে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াই গড়গাঁও মহাবিদ্যালয় আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এই প্ৰচেষ্টা সফল কৰি তুলিব বুলি আশা কৰিলোঁ।

# আলোচনা-পত্ৰ প্ৰেৰণৰ নিৰ্দেশনাঃ

(শিক্ষাৰ্থীসকলক আলোচনা-পত্ৰৰ সাৰাংশ আৰু মূল পত্ৰ প্ৰস্তুত আৰু প্ৰেৰণ কৰাৰ সময়ত তলৰ নিয়মাৱলীসমূহ মানি চলিবলৈ অনুৰোধ জনোৱা হৈছে।)

- আলোচনা-পত্ৰসমূহ কেৱল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যয়নৰত স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থীসকলে (এককভাৱে বা ২-৩ জনে দলীয়ভাৱে) তেওঁলোকৰ কোনো শিক্ষকৰ তত্ত্বাৱধানত অসমীয়া ভাষাত প্ৰস্তুত কৰিব পাৰিব।

- আলোচনা-পত্ৰৰ সাৰাংশ ১৫০-২০০ শব্দৰ ভিতৰত হ'ব লাগিব আৰু বিষয়ৰ লগত সম্পৰ্কিত ৪-৫ টা বীজশব্দৰ উল্লেখ থাকিব লাগিব।

- মূল আলোচনা-পত্ৰৰ শব্দ সংখ্যা ১২০০-১৫০০ৰ ভিতৰত সীমিত হ'ব লাগিব। অংশগ্ৰহণকাৰীসকলে তেওঁলোকৰ নাম, তত্ত্বাৱধায়কৰ নাম, মহাবিদ্যালয়ৰ নাম, শ্ৰেণী আৰু যোগাযোগৰ তথ্য (ফ'ন নং আৰু ই-মেইল আইডি) স্পষ্টকৈ উল্লেখ কৰিব লাগিব।

- সাৰাংশ আৰু মূল আলোচনা-পত্ৰসমূহ MS-Word (ইউনিক'ডত টাইপ কৰি) অথবা পেজমেকাৰত টাইপ কৰি (Geetanjali Font, Font Size: 14) Mail (*seminardkdgc@gmail.com*) কৰিব লাগিব।

**আলোচনা-পত্ৰৰ মান, মৌলিক চিন্তা-ধাৰণা আৰু উপস্থাপন শৈলীৰ (মৌখিকভাৱে বিষয় উপস্থাপন, PPT আদি) ভিত্তিত তিনিগৰাকী অংশগ্ৰহণকাৰীলৈ বিশেষ বঁটা আগবঢ়োৱা হ'ব।**




আলোচনা-পত্ৰ উপস্থাপনকাৰীসকলৰ লগতে পঞ্জীয়ন কৰা সকলো অংশগ্ৰহণকাৰী আৰু শিক্ষক তত্ত্বাৱধায়কক প্ৰমাণপত্ৰ দিয়া হ'ব। এজন শিক্ষক তত্ত্বাৱধায়কে কেৱল এজন শিক্ষাৰ্থী বা শিক্ষাৰ্থীৰ দল একোটাৰহে দায়িত্ব ল'ব পাৰিব।

- আলোচনা-পত্ৰৰ সাৰাংশ জমা দিয়াৰ শেষ তাৰিখঃ ১২-১০-২০২২
- সম্পূৰ্ণ আলোচনা-পত্ৰ জমা দিয়াৰ শেষ তাৰিখঃ ১৬-১০-২০২২
- আগ্ৰহীসকলে তলত উল্লেখ কৰা লিংকৰ যোগেদি WhatsApp Groupত সংযোগ হ'ব পাৰিব। পৰৱৰ্তী সময়ত WhatsApp Groupতেই পঞ্জীয়ন লিংক দিয়া হ'ব।

**পঞ্জীয়নৰ মাচুলঃ**

ছাত্ৰ+শিক্ষক তত্ত্বাৱধায়কঃ ১৫০/- (আলোচনা-পত্ৰসহ)

ছাত্ৰ-ছাত্ৰীঃ ৫০/- (আলোচনা-পত্ৰবিহীন উপস্থিতি)

*যোগাযোগৰ সবিশেষঃ*

WhatsApp Group Link:
https://chat.whatsapp.com/Hw27kn9cTVb3zNGFoQ1L3v

Contact:
৯১০১৩৩৭৭০৭, ৯৮৫৪৭০৭০১৪
৯৮৫৪৮৪৪১০৪, ৭০০২৯৭১০০২

Email:
*seminardkdgc@gmail.com*